**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-MAR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

---

নিৰ্বাচন আয়োগে অসম বিধানসভাৰ আসন্ন নিৰ্বাচনৰ বাবে ১৩৬ গৰাকী কেন্দ্ৰীয় পৰ্যৱেক্ষক নিয়োগ কৰিছে। ইয়াৰে ৫১ গৰাকী সাধাৰণ, ৫০ গৰাকী ব্যয় আৰু ৩৫ গৰাকী আৰক্ষী পৰ্যবেক্ষক। তেওঁলোকক ততাতৈয়াকৈ সংশ্লিষ্ট বিধানসভা সমষ্টিৰ দায়িত্ব গ্ৰহণ কৰাৰ লগতে যোগাযোগ নম্বৰ ৰাজহুৱা কৰিবলৈ আৰু নিৰ্বাচন বিষয়ক ওজৰ-আপত্তি দাখিলৰ বাবে প্ৰাৰ্থী, ৰাজনৈতিক দল আৰু ৰাইজৰ প্ৰতিনিধিৰ সাক্ষাতৰ বাবে সময় নিৰ্দিষ্ট কৰি দিবলৈ আয়োগে নিৰ্দেশ দিছে। নিৰ্বাচন আয়োগে লগতে ৰাজনৈতকি দল, বিষয়া আৰু মন্ত্ৰীসকললৈও বিশেষ নীতি-নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি মন্ত্ৰীসকলক চৰকাৰী কৰ্তব্যৰ সৈতে নিৰ্বাচনী প্ৰচাৰক এককাৰ নকৰিবলৈ তথা নিৰ্বাচনী প্ৰচাৰত চৰকাৰী যন্ত্ৰ, ব্যক্তি বা পৰিবহন ব্যৱহাৰ নকৰিবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে চৰকাৰী বিষয়াসকলক নিৰ্বাচনী আদৰ্শ আৰু নিৰপেক্ষতা বৰ্তাই ৰাখিবলৈ তথা ৰাজনৈতিক দলসমূহক সভা, সমদলৰ বিষয়ে আগতীয়াকৈ আৰক্ষীক অৱগত কৰিবলৈ আৰু নিষেধাজ্ঞাসমূহ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। ৰাজ্য চৰকাৰৰ মুখ্য সচিব ডঃ ৰবি কোটাইয়ো ইতিমধ্যে প্ৰশাসনিক বিষয়া তথা সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে এখন বৈঠকত মিলিত হৈ সকলো নীতি-নিৰ্দেশনা তথা সম্পূৰ্ণ নিৰপেক্ষতা বৰ্তাই ৰাখিবলৈ নিৰ্দেশ দিছে।

ভাৰতৰ নিৰ্বাচন আয়োগে লগতে নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া আন কেইখন ৰাজ্য কেৰালাম, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগৰ বাবেও ৯৭৫ গৰাকী পৰ্যবেক্ষক নিয়োগ কৰিছে। কেৰালামৰ বাবে ৫১ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ১৭ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ৪০ গৰাকী ব্যয় পৰ্যবেক্ষক, তামিলনাডুৰ বাবে ১৩৬ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৪০ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ১৫১ গৰাকী ব্যয় পৰ্যবেক্ষক তথা পশ্চিমবংগৰ বাবে ২৯৪ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৮৪ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ১০০ গৰাকী ব্যয় পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। লগতে ১৭ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৪ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ১৭ গৰাকী ব্যয় পৰ্যবেক্ষক পুডুচেৰীৰ বাবে নিৰ্বাচনী আয়োগে নিয়োগ কৰিছে। উপ নিৰ্বাচনৰ বাবেও ৮ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৮ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ৮ গৰাকী ব্যয় পৰ্যবেক্ষক নিয়োগ কৰা হৈছে।

oooooo

বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। আম আদমী পাৰ্টিয়ে কালি ৬টা সমষ্টিৰ বাবে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। বঢ়মপুৰ সমষ্টিত ৰানু মাই টেৰনপিক, ডিফু সমষ্টিত বিৰেশ ডিফইচাক, যোৰহাট সমষ্টিত প্ৰণৱ প্ৰিয়াংশু দত্তক, উত্তৰ কৰিমগঞ্জ সমষ্টিত ছাইনুল হক, পলাশবাৰী সমষ্টিত এলভিন বৰুৱা আৰু দিছপুৰ সমষ্টিত বল্লৱ পাত্ৰক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। ইপিনে এ আই ইউ ডি এফ দলেও কালি ১২টা সমষ্টিৰ বাবে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। দলটোৱে প্ৰথমখন প্ৰাৰ্থীৰ তালিকাত ৯টা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছিল। লগতে অসম জাতীয় পৰিষদ দলে কালি ৮টা সমষ্টিৰ বাবে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। দলটোৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে খোৱাং সমষ্টিত আৰু কাৰ্যকৰী সভাপতি ৰাজেন গোহাঁইয়ে বঢ়মপুৰ সমষ্টিত প্ৰাৰ্থিত্ব আগবঢ়াব।

বিজেপিয়ে আজি নিশা বা কাইলৈৰ ভিতৰত প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। নতুন দিল্লীত কালি অনুষ্ঠিত বিজেপিৰ সংসদীয় পৰিষদৰ বৈঠকত মুখ্যমন্ত্ৰী, ৰাজ্যিক বিজেপিৰ

সভাপতিকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতাই দলৰ কেইবাগৰাকীও কেন্দ্ৰীয় নেতাৰ সৈতে মিলিত হয়। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত বিজেপিৰ প্ৰাৰ্থীৰ তালিকা সন্দৰ্ভত এনেদৰে প্ৰকাশ কৰে।

**বাইট (চি এম)**

অহা ২০ মাৰ্চত বি পি এফৰ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰা হ'ব বুলি বি টিচিৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে প্ৰকাশ কৰিছে। মুছলপুৰত কালি বি পি এফৰ সকলো উপ সমিতিৰ এখন বৈঠকত অংশগ্ৰহণ কৰে।

ইপিনে, নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ সংগ্ৰহ প্ৰক্ৰিয়াও আৰম্ভ হৈছে। চি পি আই এম দলৰ নেতা তথা সৰভোগৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে কালি বজালী জিলা নিৰ্বাচনী কাৰ্যালয়ৰ পৰা মনোনয়ন পত্ৰ সংগ্ৰহ কৰে।

উল্লেখযোগ্য যে, ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিৰ বাবে অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকলে অহা ২৩ মাৰ্চ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পাৰিব আৰু ২৬ মাৰ্চ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ২৮ মাৰ্চত মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ৪ মে'ত নিৰ্বাচনী ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০

জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা লোকসভাৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কালি দলৰ পৰা পদত্যাগ কৰে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ প্ৰেৰণ কৰা এখন পত্ৰত শ্ৰীবৰদলৈয়ে দলৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰাৰ সিদ্ধান্ত ঘোষণা কৰে। ইপিনে, মুখ্যমন্ত্ৰী তথা ভাৰতীয় জনতা পাৰ্টীৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই শ্ৰী বৰদলৈৰ বাবে দলৰ দুৱাৰ খোলা থকা বুলি উল্লেখ কৰি আসন্ন নিৰ্বাচনত তেওঁক দলীয় টিকট প্ৰদান কৰিবলৈ দল সাজু থকা বুলি মন্তব্য কৰিছে।

ইপিনে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ উপ-সভাপতি নৰজ্যোতি তালুকদাৰেও পদত্যাগ কৰিছে। দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ এখন পত্ৰ প্ৰেৰণ কৰি নিজৰ বিষয়-বাবৰ লগতে দল ত্যাগ কৰাৰ কথাও তেওঁ ঘোষণা কৰে। দুয়োগৰাকী নেতাই অচিৰে ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰাৰ সম্ভাৱনাৰ কথা প্ৰকাশ পাইছে।

০০০০০০

**সমাপ্ত**